**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমোদীক অসম জৈৱ ইথানল প্ৰকল্প উদ্বোধন আৰু ৫ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প তথা দৰং চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবে প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰি অসমলৈ আহিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ অহাৰ কথা। মুখ্যমন্ত্ৰীয়ে আজিৰ এই ভ্ৰমণকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰাৰ কথা।

০০০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ সময়সীমা উকলি যোৱাৰ পিছতে এন ডি এ ৩৭ খন জিলা পৰিষদৰ সমষ্টি আৰু ৩১১টা আঞ্চলিক পঞ্চায়ত সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৩৭ খন জিলা পৰিষদৰ ভিতৰত ৩৫ খনত বিজেপিয়ে আৰু দুখনত অসম গণ পৰিষদে জয়লাভ কৰে। আনহাতে, ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২টা আঞ্চলিক পৰিষদৰ সমষ্টিৰ ২৫৯টা বিজেপিয়ে, ২৯টা অসম গণ পৰিষদে আৰু ১৩টা ৰাভা যৌথ মঞ্চই দখল কৰিছে।

ৰাজ্যৰ বিভিন্ন জিলা প্ৰশাসনে পঞ্চায়ত নিৰ্বাচনৰ বাবে নিৰ্বাচনী কাম-কাজত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি সকলো প্ৰস্তুতি চলাই আছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত দুদিনীয়া কাৰ্যসূচীৰে এহেজাৰ ৮৫১ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত জিলাখনত নিৰ্বাচন অনুষ্ঠিত হ'ব। জিলাখনৰ ৩৫ খন গাঁও পঞ্চায়তত ৪০৬টা ভোটগ্ৰহণ কেন্দ্ৰত এই ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা আগতীয়াকৈ লোৱা হৈছে। সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ২৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে শতাধিক মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ অতিৰিক্ত আয়ুক্ত ৰিপণজ্যোতি নাথ উপস্থিত থাকে।

০০০০০০০

একাদশ শ্ৰেণীৰ পৰীক্ষাৰ গণিতৰ প্ৰশ্নকাকত ফাদিল কৰাৰ ঘটনাৰ মূল অভিযুক্ত মহম্মদ আশিকক আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই গ্ৰেপ্তাৰ কৰিছে। ইউ পি আইৰ সহায়ত ধনৰ লেনদেনৰ তথ্যৰ

ওপৰত ভিত্তি কৰি আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। চিকিৎসা বিজ্ঞানৰ ছাত্ৰ মহম্মদ আশিক পূৰ্বেও চুৰি কাণ্ড আৰু অপহৰণৰ গোচৰত গ্ৰেপ্তাৰ হৈছিল বুলি আৰক্ষীৰ তদন্তত প্ৰকাশ পাইছে। অভিযুক্তজনক আজি আদালতত হাজিৰ কৰোৱা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ –এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছ্এপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooooo

ভাৰতৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ আৰ্যভট্টই আজি ৫০ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰাচীন ভাৰতৰ প্ৰখ্যাত গণিতজ্ঞ আৰু জ্যোতিৰ্বিজ্ঞানী আৰ্যভট্টৰ নামত ১৯৭৫ চনৰ আজিৰ দিনটোতেই কৃত্ৰিম উপগ্ৰহটো মহাকাশলৈ উৎক্ষেপণ কৰা হৈছিল। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই নিৰ্মাণ কৰা উপগ্ৰহটো তেতিয়াৰ ছোভিয়েট ৰাছিয়াৰ সহযোগত কাপুষ্টিন য়াৰৰ পৰা মহাকাশলৈ পঠিওৱা হৈছিল। সৌৰ পদাৰ্থ বিজ্ঞান, বায়ু বিদ্যা আৰু এক্স-ৰে জ্যোতিৰ্বিদ্যাকে ধৰি অন্যান্য কেইবাটাও ক্ষেত্ৰৰ অধ্যয়নৰ বাবে উপগ্ৰহটো উৎক্ষেপণ কৰা হৈছিল। প'লিহেড্ৰ'নেৰে তৈয়াৰ কৰা এক দশমিক চাৰি মিটাৰ ব্যাসৰ আৰ্যভট্টৰ ওজন আছিল ৩৬০ কিলোগ্ৰাম। উপগ্ৰহটোৰ ওপৰ আৰু তলৰ ফালৰ বাহিৰে বাকী ২৪টা ৰন্ধ্ৰক সৌৰ পেনেলেৰে ঢকা হৈছিল।

নিৰ্দিষ্ট কক্ষপথত ৫ দিন থকাৰ পাছত আৰ্যভট্ট নিয়ন্ত্ৰণ কক্ষৰ পৰা বিচ্ছিন্ন হৈ গৈছিল। উপগ্ৰহটোৰ পৰা কেতবোৰ মূল্যবান তথ্য পোৱা গৈছিল আৰু বিজ্ঞানীসকলে কৃত্ৰিম উপগ্ৰহ বিকাশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ অভিজ্ঞতা লাভ কৰিছিল। বিচ্ছিন্ন হোৱাৰ পাছতো কেইবাদিনলৈকে উপগ্ৰহটোৱে তথ্যৰ সৰবৰাহ কৰি আছিল।

আৰ্যভট্ট মহাকাশ অভিযানত ভাৰতৰ আত্মপ্ৰকাশ আছিল আৰু ই দেশৰ ভৱিষ্যতৰ মহাকাশ অভিযানসমূহৰ ভেঁটি স্থাপন কৰিছিল। আৰ্যভট্টৰ সফল উৎক্ষেপণৰ জৰিয়তে ভাৰত মহাকাশৰ নিৰ্দিষ্ট কক্ষপথত কৃত্ৰিম উপগ্ৰহ স্থাপন কৰা বিশ্বৰ একাদশ দেশ হিচাপে পৰিগণিত হৈছিল।

ooooooo

**সমাপ্ত**